সুলতান আলাউদ্দিন খিলজীৰ মূল্য নিয়ন্ত্ৰণ নীতি:

আলাউদ্দিন খিলজী আছিল দিল্লীৰ সুলতানী সাম্ৰাজ্যৰ অন্যতম শ্ৰেষ্ঠ সুলতান। এজন মহান বিজেতা আৰু সু-দক্ষ শাসক হিচাপে আলাউদ্দিনে সুলতানী ইতিহাসত বিশেষ স্থান দখল কৰিছে। তেখেতৰ শাসন সংস্কাৰক আৰু ~~শিল্প~~ সাহিত্য-শিল্পৰ পৃষ্ঠপোষক হিচাপেও তেওঁৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

মূল্য নিয়ন্ত্ৰণ নীতি:

সুলতান আলাউদ্দিন খিলজীৰ অৰ্থনীতিৰ আটাইতকৈ উল্লেখযোগ্য দিশ আছিল বস্তুৰ মূল্য নিয়ন্ত্ৰণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৱলী। সাধাৰণ প্ৰজা আৰু সৈন্যৰ বাহিনীৰ লোকক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে আৰু তেওঁলোকে যাতে কম খৰচত জীৱন নিৰ্বাহ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি সুলতানে এই নীতি প্ৰৱৰ্তন কৰিছিল।

মূল্য নিয়ন্ত্ৰণ নীতিৰ ব্যৱস্থাৱলী আছিল এনেধৰণৰ:

1. সুলতানে "শাহানা-ই-মাণ্ডী" উপাধিৰে এজন বজাৰ অধ্যক্ষ নিয়োগ কৰে আৰু তেওঁক সহায় কৰিবৰ বাবে ভালেমান সংখ্যক কৰ্মচাৰী নিযুক্ত কৰে।

2. ৰাজ্যৰ সকলোবোৰ ব্যৱসায়ীক তেওঁলোকৰ নাম-ধাম সমূহ শাহানা-ই-মাণ্ডীৰ ওচৰত জমা দিয়াৰ নিৰ্দেশ দিয়ে।

3. বজাৰসমূহত খাদ্যদ্ৰব্য এনে প্ৰয়োজনীয় বস্তু যেনে :- চাউল, গম, ঘেহু, চেনি, ঘিউ, তেল, নিমখ, কাপোৰ-কানি আদিৰ দাম চৰকাৰীভাৱে নিৰ্ধাৰণ কৰি দিয়া হৈছিল আৰু চৰকাৰীভাৱে মূল্যৰ সুলভত সামগ্ৰীৰ যোগান ধৰা হৈছিল। আনকি গৰু আৰু ঘোঁৰাৰ দামো চৰকাৰীভাৱে নিৰ্ধাৰণ কৰি দিয়া হৈছিল।

সুলতান আলাউদ্দিনে মূল্য নিয়ন্ত্ৰণ নীতিৰ আটাইবিলাক ~~সফল~~ সফল কৰি তুলিবৰ বাবে কেতবোৰ

কাৰোবাক কঠোৰ দণ্ড দিছিল।

<u>প্ৰথমতে</u>; ক্ৰেতাক মাত্ৰ উৎপাদক লোকে ফাঁকি দিব নোৱাৰাকৈ তাৰ মাজে চৰকাৰী কৰ্মচাৰীয়ে কাম চলোৱাৰ ব্যৱস্থা কৰিছিল। অন্যহাতে ক্ৰেতাক ঠগোৱাৰ পৰাহি লাভ্য চৰম কৰিছিল।

<u>দ্বিতীয়তে</u>, ওজনত লোকক ঠেকেকে কৰিলে দোষীসকলক শৰীৰৰ পৰা নিজৰ ওজনৰ মাংস কাটি উলিওৱা হ'ব বুলি ঘোষণা কৰা হৈছিল।

<u>তৃতীয়তে</u>, সমগ্ৰ বিষয় পৰ্যবেক্ষণ কৰিবলৈ তাৰ প্ৰতি লক্ষ্য আৰু সু-সংগঠিত গোপনচৰৰ ব্যৱস্থা নিয়োগ কৰা হৈছিল আৰু ~~স্বা~~ স্বয়ং সুলতানে নিজে এই গোপনচৰৰ ব্যৱস্থাক তদাৰকী কৰিছিল।

সুলতান আলাউদ্দিনৰ এই মূল্য নিয়ন্ত্ৰণ নীতিৰ সফলতা আৰু বিফলতা সম্পৰ্কে ঐতিহাসিক সকলৰ মাজত মতানৈক্য পৰিলক্ষিত হয়। ঐতিহাসিক বেৰণীয়ে আলাউদ্দিনৰ মূল্য নিয়ন্ত্ৰণ নীতিক এক অভিনৱ আৰু সফল ব্যৱস্থা বুলি বৰ্ণনা কৰিছে। আনহাতে ড° নি। ঘেৰানৰ মতে আলাউদ্দিনৰ এই মূল্য নিয়ন্ত্ৰণ ব্যৱস্থাই সাধাৰণ প্ৰজাক কোনো সকাহ দিব পৰা নাছিল; এই ব্যৱস্থাই কেৱল সৈন্য-সকলকহে উপকৃত কৰিছিল। ঐতিহাসিক অধ্যাপকৰ মতে প্ৰথম অৱস্থাত সফলতাৰে আলাউদ্দিনৰ নিৰ্দেশাৱলী মানি চলিছিল যদিও পিছলৈ সফলতাৰে তেওঁ নিৰ্দেশাৱলী উলংঘন কৰিছিল।

যি কি নহওক, উপৰোক্ত আলোচনাৰ পৰা আমি এটা কথা ক'ব পাৰো যে মধ্যযুগীয় ৰাজনীতিত আলাউদ্দিনৰ দৰে এজন নিৰক্ষৰ ~~সুলতানে~~ সুলতানে দ্ৰব্যমূল্য নিয়ন্ত্ৰণ কৰাৰ আঁচনি গ্ৰহণ কৰিব পৰাটো এটা উল্লেখনীয় পদক্ষেপ ~~বুলি~~ আছিল।

Scanned with CamScanner